তোমালোকে সৰু সুৰা পাপ কৰ্মকো বৰ্জন কৰা

ছাহল বিন ছাআদ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "তোমালোকে সৰু সুৰা পাপ কৰ্মকো বৰ্জন কৰা, কিয়নো সৰু আৰু তুচ্ছ পাপ কৰ্মৰ উদাহৰণ হৈছে সেইসকল লোকৰ দৰে যিসকলে (ভ্ৰমণত গৈ) কোনো এটা উপত্যকাত (বিশ্ৰামৰ বাবে) অৱস্থান কৰে। ইয়াৰ পিছত ইজনে এটা কাঠৰ টুকুৰা
আনে আৰু সিজনে এটা কাঠৰ টুকুৰা আনে, অৱশেষত খৰিৰ স্তূপ হৈ যায়, আৰু সিহঁতে সেইবোৰৰ দ্বাৰা ৰুটী সেকি খায়। ঠিক সেইদৰে সৰু সুৰা পাপ কৰ্মত অটল থকা লোকক যেতিয়া কৰায়ত্ব
কৰা হ'ব তেতিয়া এইবোৰ গুনাহেই তাক ধ্বংস কৰিব।" [ছহীহ] [(আহমদ)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত সৰু সুৰা গুনাহত অৱহেলা কৰাৰ পৰা সতৰ্ক কৰিছে।ইয়াৰ আধিক্যই ব্যক্তিক ধ্বংসৰ মুখত ঠেলি দিয়ে। তেখেতে ইয়াৰ এটা উদাহৰণ দিছে যে, এনেকুৱা কিছুমান লোক যিসকলে এটা উপত্যকাত গৈ আশ্ৰয় লয় আৰু প্ৰত্যেকেই সৰু সৰু কাঠৰ টুকুৰা তথা খৰি বিচাৰি আনে। অৱশেষত সেইবোৰ খৰিৰ এটা স্তূপ হৈ যায়। ফলত সিহঁতে সেইবোৰৰ দ্বাৰা ৰুটী সেকি খায়। ঠিক সেইদৰে সৰু সুৰা গুনাহত অৱহেলা কৰিলে, গুনাহৰ এটা স্তূপ হৈ যাব, যদি বান্দাই এইবোৰ গুনাহৰ পৰা তাওবা নকৰে তেন্তে আল্লাহে কৰায়ত্ব কৰিলে তাক ধ্বংস কৰি দিব, নহ'লে ক্ষমা কৰি দিব।

http://sunnah.global/hadeeth/as/show/66224